নং- চি.ডি.পি.অ./(জে আৰ)২৬৬/২০১৮-১৯/৩৩১

# বিজ্ঞাপন

অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনৰ জুৰীয়া শিশু উন্নয়ন প্ৰকল্পত খালী হৈ থকা অংগনবাদী কৰ্মী/ সহায়িকা হিচাপে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক মহিলা প্ৰাৰ্থীৰ পৰা আবেদনপত্ৰ বিচৰা হৈছে। নিম্নলিখিত চৰ্তাৱলী সাপেক্ষে স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে এই কাৰ্যালয়ৰ দ্বাৰা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰৰ যোগেদি যাৱতীয় তথ্য ও নথিপত্ৰসহ আবেদন কৰিব পাৰিব। আবেদনপত্ৰৰ লগত দুখন পাছপৰ্ট ৰঙীণ ফটো গাঁঠি দিব লাগিব। খালী থকা পদৰ তালিকা উল্লেখ কৰা হ'ল ঃ

| ক্ৰঃ নং | অঙ্গনবাদী কেন্দ্ৰৰ নং আৰু নাম | গাঁও পঞ্চায়তৰ নাম | পদৰ নাম |
|---|---|---|---|
| ১ | ৯৪নং খিয়টাঙনী চামধৰা | তেলীয়া বেৰেজীয়া | অঙ্গনবাদী সহায়িকা |
| ২ | ১৩২নং চামধৰা | গদাইমাৰী | অঙ্গনবাদী সহায়িকা |
| ৩ | ১৩নং লাণ্ডিয়া | জাবামাৰী লাণ্ডিয়া | অঙ্গনবাদী সহায়িকা |
| ৪ | ১১৩নং চিতলমাৰী বিল | সুতীৰ পাৰ | অঙ্গনবাদী সহায়িকা |
| ৫ | ১২নং উধান তলা ২য় খণ্ড | জাবামাৰী লাণ্ডিয়া | অঙ্গনবাদী সহায়িকা |
| ৬ | ১৪৭নং পুব কালিয়াডিঙ্গা | মাহেৰীপাৰ | অঙ্গনবাদী সহায়িকা |
| ৭ | ২৮নং বলিকটিয়া ৩য় খণ্ড | বলিকটিয়া | অঙ্গনবাদী সহায়িকা |
| ৮ | ৭৬নং দীঘলিআটি ৩য় খণ্ড | মাহগুৰি | অঙ্গনবাদী সহায়িকা |
| ৯ | ১০৪নং চতিয়ান ২য় খণ্ড | চতিয়ান | অঙ্গনবাদী সহায়িকা |
| ১০ | ১২৪নং লালুংগাঁও ১ম খণ্ড | ধিংবৰী চাপৰি | অঙ্গনবাদী সহায়িকা |
| ১১ | ১২৭নং গদাইমাৰী ১ম খণ্ড | গদাইমাৰী | অঙ্গনবাদী সহায়িকা |
| ১২ | ১৫৯নং কলনী জলাহ ৩য় খণ্ড | জুৰীয়া | অঙ্গনবাদী সহায়িকা |
| ১৩ | ৮৫নং চামধৰা | তেলীয়া বেৰেজীয়া | অঙ্গনবাদী সহায়িকা |
| ১৪ | ১৩৪নং কছাৰীগাঁও ১ম খণ্ড | কছাৰীগাঁও | অঙ্গনবাদী সহায়িকা |

## যোগ্যতাৰ চৰ্তাৱলী

১। আবেদন কৰা মহিলা প্ৰাৰ্থীসকল সেই কেন্দ্ৰৰ জৰীপ এলেকাৰ স্থায়ী বাসিন্দা হ'ব লাগিব, সেই কেন্দ্ৰ এলেকাৰ ভিতৰৰ।

২। আবেদনকাৰীৰ বয়স ২০২২চনৰ ১ জানুৱাৰীত ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

৩। অংগনবাদী কেন্দ্ৰৰ কৰ্মীৰ পদৰ বাবে আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। লগতে নম্বৰৰ তালিকা (Marksheet) গাঁঠি দিব লাগিব। সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকিলে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত ব'ৰ্ডৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, অসম হাই মাদ্ৰাছা উত্তীৰ্ণ প্ৰাৰ্থীৰ আবেদন গ্ৰাহ্য কৰা হ'ব।

৪। অংগনবাদী সহায়িকা পদৰ প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা অসম চৰকাৰৰ দ্বাৰা অনুমোদিত ব'ৰ্ডৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, অসম হাই মাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। লগতে নম্বৰ তালিকা (Marksheet) গাঁঠি দিব লাগিব। সেই এলেকাত উক্ত যোগ্যতাসম্পন্ন প্ৰাৰ্থী নাথাকিলে নৱম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ আবেদন গ্ৰাহ্য কৰা হ'ব। বিদ্যালয়ৰ প্ৰধান শিক্ষকে দিয়া নৱম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ শিক্ষাগত প্ৰমাণপত্ৰত বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ (Inspector of School) চহী (Countersign) থাকিব লাগিব। কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষাগত প্ৰমাণপত্ৰ গ্ৰহণ কৰা নহ'ব। লগতে নৱম শ্ৰেণীৰ বছেৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হোৱা নম্বৰৰ তালিকা (Marksheet) সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক/ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ পৰা স্বাক্ষৰিত হ'ব লাগিব।

৫। আবেদনকাৰী স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ গাঁওবুঢ়া/ গাঁও পঞ্চায়তৰ সভাপতিৰ দ্বাৰা স্বাক্ষৰিত হ'ব লাগিব। এই সকলো স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ উক্ত পঞ্চায়তৰ মুখ্য সেবিকাৰ দ্বাৰা সত্যতা নিৰূপণ কৰা হ'ব লাগিব।

৬। বাচনি প্ৰক্ৰিয়া উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা/ হাই স্কুল শিক্ষান্ত পৰীক্ষা/ হাই মাদ্ৰাছাৰ অৰ্হতাৰ (Merit) নম্বৰ/ শতাংশৰ ওপৰত প্ৰযোজ্য হ'ব।

৭। বিশেষভাৱে সক্ষম লোকৰ বাবে ৩% পদ সংৰক্ষিত থাকিব।

৮। অংগনবাদী কেন্দ্ৰ স্থাপন হোৱা কেন্দ্ৰ এলেকাৰ গাঁৱৰ মহিলাকহে বিবেচিত কৰা হ'ব কিন্তু বিধৱা আৰু বিবাহ বিচ্ছেদ হোৱা মহিলাক এইক্ষেত্ৰত ৰেহাই দিয়া হ'ব (এইক্ষেত্ৰত প্ৰমাণপত্ৰ গাঁঠি দিব লাগিব)।

৯। ৪০ শতাংশতকৈ বেছি লোক থকা গাঁৱৰ অনুসূচিত জাতি/ জনজাতি/ চাহ জনজাতি থকা লোকেহে আবেদনপত্ৰ দাখিল কৰিব পাৰিব।

১০। আবেদনপত্ৰৰ লগত দিয়া প্ৰত্যেকখন প্ৰত্যায়িত কপিত স্ব-স্বাক্ষৰ কৰা হ'ব লাগিব।

১১। কাৰ্যালয়ৰ পৰা বিতৰণ কৰা আবেদন পত্ৰহে গ্ৰাহ্য কৰা হ'ব।

১২। সাক্ষাৎকাৰৰ সময়ত মূল (Original) প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

১৩। সাক্ষাৎকাৰৰ দিন, সময়, স্থান ইত্যাদি সেই এলেকাৰ মুখ্য সেবিকা আৰু স্থানীয় গাঁওবুঢ়াৰ জৰিয়তে হ'ব। আবেদনপত্ৰ দাখিল কৰা বিবেচিত প্ৰাৰ্থীসকলক ব্যক্তিগতভাৱে কোনো চিঠি আদিৰে জনোৱা নহ'ব।

১৪। বাচনি হোৱা প্ৰাৰ্থীসকলৰ কাম কৰা বয়স ৬০ বছৰ সম্পূৰ্ণ হ'লে চাকৰিৰ কাৰ্যকাল শেষ হ'ব।

১৫। আবেদনপত্ৰ পুৱা ১১ বজাৰ পৰা ৩ বজাৰ ভিতৰত কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব লাগিব।

১৬। আবেদনপত্ৰ জমা দিয়াৰ শেষ তাৰিখ ১৪/০৭/২০২২।

১৭। আবেদনকাৰীয়ে দাখিল কৰা আবেদনপত্ৰ অসম্পূৰ্ণ হ'লে অথবা আবেদনকাৰীৰ উল্লেখিত (বাধ্যতামূলক) প্ৰয়োজনীয় চৰ্তাৱলী পূৰণ নকৰা আবেদনপত্ৰসমূহ নাকচ কৰা হ'ব।

১৮। চৰকাৰী নীতি-নিৰ্দ্দেশনা অনুসৰি কেৱল মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত নিৰ্বাচিত কৰা হ'ব।

১৯। সেৱা আগবঢ়াবলৈ বিবেচিত হোৱা কৰ্মী/ সহায়িকাসকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাৰ্যালয়ত যোগদান কৰিব লাগিব।

২০। কোনো ভুল তথ্য বা ভুল নথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী বিবেচিত হয়, সেইটো পিছত প্ৰমাণিত হ'লে সেই প্ৰাৰ্থীসকলক বৰ্খাস্ত কৰা হ'ব।

২১। মৌখিক সাক্ষাৎকাৰৰ তাৰিখ কাৰ্যালয়ৰ জাননী ফলকত মাৰি দিয়া হ'ব।

২২। প্ৰাৰ্থীসকলক সাক্ষাৎকাৰলৈ অহা-যোৱাৰ বাবদ কোনো ধৰণৰ ভ্ৰমণ বানচ দিয়া নহ'ব।

২৩। শাৰিৰীক আৰু মানসিকভাৱে সুস্থ বুলি স্বীকৃতিপ্ৰাপ্ত চৰকাৰী চিকিৎসকৰ পৰা আবেদনৰ লগত প্ৰমাণপত্ৰ গাঁঠি দিব লাগিব।

২৪। বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীক উক্ত পদৰ বাবে বিবেচনা কৰা নহ'ব।

২৫। গুৰুতৰ ৰোগত আক্ৰান্ত তথা অপৰাধজনিতকোনো মোকৰ্দ্দমাত জড়িত প্ৰাৰ্থীৰ আবেদনসমূহ নাকচ কৰা হ'ব।

## পাৰিতোষিক

অংগনবাদী কৰ্মীসকলক মাহে ৪৫০০/- (চাৰি হাজাৰ পাঁচশ) টকাকৈ আৰু সাহায়িকাসকলক মাহে ২২৫০/- (দুহেজাৰ দুশ পঞ্চাশ) টকাকৈ পাৰিতোষিক দিয়া হ'ব।

**স্বাক্ষৰ/- শিশু উন্নয়ন প্ৰকল্প বিষয়া**
**জুৰিয়া সংহত শিশু উন্নয়ন প্ৰকল্প, নগাঁও**

Janasanyog/D/6635/22